
অসম

হেলমেট নিপিন্ধাৰ অভিযোগত বাছ চালকক ১,০০০ টকাৰ জৰিমনা: তিনিচুকীয়া-ডিব্রুগড় পথত অদ্ভুত ই-চালান

তিনিচুকীয়া আৰু ডিব্রুগড়ৰ মাজত চলাচল কৰা এখন যাত্রীবাহী বাছৰ চালকে হেলমেট নিপিন্ধাৰ অভিযোগত ১,০০০ টকাৰ জৰিমনা ভৰিবলগীয়া হোৱা ঘটনাই তীব্র চর্চা লাভ কৰিছে।

প্রকাশ: ২০ নৱেম্বৰ ২০২৬, নিশা ৮:৪৯



তিনিচুকীয়া আৰু ডিব্রুগড়ৰ মাজত চলাচল কৰা এখন যাত্রীবাহী বাছৰ চালকে হেলমেট পৰিধান নকৰাৰ অভিযোগত ১,০০০ টকাৰ জৰিমনা ভৰিবলগীয়া হোৱা ঘটনাই তীব্র চর্চাৰ সৃষ্টি কৰিছে। প্রাপ্ত তথ্য অনুসৰি, বাছখনৰ বিৰুদ্ধে জাৰি কৰা ই-চালানখনত যান-বাহন আইন উলংঘাৰ কাৰণ হিচাপে চালকে হেলমেট পৰিধান নকৰাৰ কথা উল্লেখ কৰা হয়। সেই অভিযোগৰ ভিত্তিত বাছখনৰ নামত ১,০০০ টকাৰ জৰিমনা আৰোপ কৰা হৈছে।

বাছখনৰ মালিকে পৰৱর্তী সময়ত জৰিমনাৰ ধন পৰিশোধ কৰিবলৈ লওঁতেই চালানখনত উল্লেখ থকা অপৰাধৰ বিৱৰণ প্রত্যক্ষ কৰি হতভম্ব হৈ পৰে। এখন চাৰিচকীয়া যাত্রীবাহী বাছৰ চালকে হেলমেট নিপিন্ধাৰ বাবে জৰিমনা বিহা কার্যই সকলোকে আচৰিত কৰি তুলিছে।

এই অদ্ভুত ই-চালানক কেন্দ্র কৰি এতিয়া তীব্র প্রতিক্রিয়াৰ সৃষ্টি হৈছে। এখন যাত্রীবাহী বাছৰ ক্ষেত্রত হেলমেট নিপিন্ধাৰ অভিযোগ কেনেকৈ উত্থাপন হ'ল, সেয়া যান-বাহন বিভাগৰ কোনো কাৰিকৰী বিসংগতি নে আন

কাৰণত সংঘটিত হ'ল, সেই সন্দৰ্ভত এতিয়াও স্পষ্ট তথ্য পোহৰলৈ অহা নাই।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/4768/bus-driver-fined-for-helmet-tinsukia-dibrugarh